

# ৰেঙণি

গ্ৰীষ্মকালীন ষাণ্মাসিক সংখ্যা


অসমীয়া বিভাগৰ দ্বাৰা প্ৰকাশিত আলোচনী

চতুৰ্থ সংস্কৰণ

গ্ৰীষ্মকালীন বিশেষ সংখ্যা

দ্য অসম ভেলী স্কুল
বালিপাৰা, শোণিতপুৰ - ৭৮৪১০১
অসম





# গল্পৰ কুঁকিত

## মোৰ গল্প

শুভেচ্ছা বৰা

ষষ্ঠ শ্ৰেণী

চাৰিটা বন্ধু আছিল। সিহঁতকেইটা হ'ল - গৰু হাজৰিকা, কুকুৰ বৰা, মেকুৰী বৰুৱা আৰু ছাগলী বৰা। সিহঁত আটাইকেইটাই একেলগে একেটা ঘৰতে আছিল। কেতিয়াবা কাজিয়া পেছাল হৈছিল যদিও আকৌ নিজৰ মাজত বুজা বুজিৰে ঠিক ঠাক কৰি লৈছিল। এবাৰ গৰু হাজৰিকাই ক'লে – কিমাননো আৰু ঘৰত খানা খাম, আজি ব'লা আমি আটায়ে ৰেষ্টুৰেণ্টলৈ গৈ খাওঁ। সকলোৱে প্ৰস্তাৱটোত বৰ ভাল পালে । ছাগলী বৰাই ক'লে , বৰা, মই গাড়ী এখন ভাৰা কৰো। গাড়ী আহে মানে সকলোৱে সাজ-পোছাক কৰি লোৱা। আটাইবোৰেই চহৰৰ ৰেষ্টুৰেণ্টত খাবলৈ যাব কাৰণে কোট-পেণ্ট পিন্ধি যাবলৈ ৰেডি হ'ল।


ৰেষ্টুৰেণ্টত গৈ আটায়ে নিজৰ নিজৰ পছন্দৰ খাদ্যৰ অৰ্ডাৰ দিলে। গৰু হাজৰিকাই ক'লে যে বহুত দিন ভেজ মনচুৰিয়ান খোৱা নাই। গতিকে মই আজি সদায় খোৱা দানা বা ঘাঁহ-পাতৰ পৰিবৰ্তে ভেজ ফ্ৰাইড ৰাইচৰ লগত ভেজ মনচুৰিয়ান খাম। ছাগলী বৰায়ো ক'লে যে মানুহে সদায় দিঘলীয়া দিঘলীয়া নুডলচ খায় । বৰ সোৱাদ বুজিছা। মই কিন্তু কেতিয়াও খাই পোৱা নাই। কেৱল তাৰ লগত দিয়া গাজৰ আৰু বিনকেইডালৰ সোৱাদহে ল'বলৈ পাওঁ। সেয়ে গতিকে আজি মই চাওচাওহে খাম। কুকুৰ আৰু মেকুৰীৰ একেই পছন্দ। দুয়োজনেই নন ভেজ। গতিকে সিহঁতে অৰ্ডাৰ দিলে মাটন ৰোগন জ'চ, চিকেন ড্ৰাম ষ্টিক হেভেন, তণ্ডুৰী চিকেনৰ। মেকুৰীয়ে মনে মনে ভাবিলে মোৰ প্ৰিয় খাদ্য মাছ দেখোন খাবলৈকে নাপাম।সকলোৱে নিজৰ পছন্দৰ খাদ্য অৰ্ডাৰ দিলে । নাই নাই ময়ো মোৰ পছন্দৰ খাদ্যবিধ খাইহে এৰিম। এই বুলি কুকুৰ আৰু মেকুৰীৰ লাগিলেই বহয় তুমুল যুদ্ধ এখন। তাৰপিছত যেনিবা বন্ধুসকলৰ বুজনিত দুয়োৰে কাজিয়া ভাগিল আৰু আটায়ে পেট ভৰাই খালে।






আচল সমস্যাটো তেতিয়াহে হ'ল যেতিয়া খাই উঠি পইচা দিবৰ সময় হ'ল। হোটেলৰ মেনেজাৰ  শিয়াল শইকীয়াই বিলখন আগবঢ়াই দিলে। বিলখন দেখি সকলোৰে চকু কপালত উঠিল। হোটেলত খাবলৈ গ'লে যে পইচা দিব লাগে সেই কথাটো সিহঁতৰ এজনেও জনা নাছিল।  কাৰণ মানুহৰ ঘৰে-ঘৰে গৈ বা  হাবিয়ে বননিয়ে ঘূৰি-ফুৰি যি খাবলৈ পায় তাকেই পৰম সন্তোষেৰে খাই সিহঁতে জীৱন নিৰ্বাহ কৰে। গতিকে পইচা দি খাদ্য খোৱাৰ কথা সিহঁতে কেতিয়াও ভাবিবই নোৱাৰে। কিন্তু খাই বৈ উঠি সিহঁতে যেতিয়া পইচা দিয়াৰ সময় আহিল তেতিয়া ইজনে-সিজনৰ মুখলৈ চাই বৰ বিবুধিত পৰিল। শিয়াল শইকীয়াও এৰি দিয়া বিধৰ ভকত নহয়। আটাইকেইজনৰ হাতত পইচা নোহোৱা দেখি আৰু সিহঁতৰ অজ্ঞতাৰ কথা গম পাই আটাইকেইজনকে হোটেলৰ কাম-বন কৰা, বাচন-বৰ্তন ধুৱাকৈ তিনিমাহৰ কাৰণে ৰাখি থ'লে। সেইদিনাৰ পৰাই সিহঁতে আৰু কেতিয়াও হোটেললৈ খাবলৈ নাহো বুলি শপত খালে। তিনিমাহ হোটেলত আটাইকেইটাই কাম-বন কৰি পুনৰ নিজৰ থকা ঠাইলৈ উভতি গ'ল।









# মিছা কোৱাৰ পৰিণতি

দৃষাণ যতীন বৰা
সপ্তম শ্ৰেণী

তেজপুৰ চহৰৰ কথা। ৰাহুল নামৰ এটা ল'ৰা আছিল । সি মাক-দেউতাকক বহুত মিছা কথা কৈছিল। মিছা কথা কোৱাটো তাৰ অভ্যাস হৈ গৈছিল। মাক-দেউতাকক মিছা কথা কৈ ঠগাই সি খুব আনন্দ পাইছিল। এদিন স্কুলৰ পৰা আহি থাকোতে লগৰ ল'ৰাৰ হতুৱাই মাক-দেউতাকক ফোন কৰি ক'লে যে তাৰ এক্সিডেন্ট হৈছে আৰু তাক হস্পিতালত ভৰ্ত্তি কৰা হৈছে। গতিকে মাক-দেউতাকক সোনকালে মাতিছে। মাক-দেউতাকে গৈ হস্পিতালখনৰ চাৰিওফালে বিচাৰিলে, কিন্তু ক'তো বিচাৰি নাপাই ঘৰলৈ উভতি আহিল। ঘৰত আহি মাক-দেউতাকে তাক বহি থকা দেখিলে আৰু মাক-দেউতাকক দেখিয়েই সি খুব হাঁহিবলৈ ধৰিলে। তাৰ এনে কাৰ্য্যত মাক-দেউতাকৰ অত্যন্ত খং উঠিল।

ইয়াৰ অলপ দিনৰ পিছতে স্কুলৰ পৰা আহি থাকোতে বাটত ৰাহুলৰ সঁচাকৈয়ে এদিন এক্সিডেন্ট হ'ল। হস্পিতালৰ পৰা মাক-দেউতাকলৈ খবৰ আহিল, কিন্তু এই কথা মাক-দেউতাকে বিশ্বাস নকৰিলে। কাৰণ কিছুদিনৰ পূৰ্বে মাক-দেউতাকৰ লগত সি এনে ধৰণৰ ধেমালি কৰি থৈছিল। অলপ সময়ৰ পিছত আকৌ হস্পিতালৰ পৰা ফোন আহিল , সেইবাৰো তেওঁলোকে কথাটোত কোনো ধৰণৰ গুৰুত্ব নিদিলে। আনহাতে অভিভাৱকবিহীন ৰোগী এজনক হস্পিতালতো বৰ বিশেষ গুৰুত্ব নিদিয়াত তাৰ অৱস্থা অধিক গুৰুতৰ হ'ল।

ইতিমধ্যে হস্পিতাল কৰ্তৃপক্ষই ৰাহুলৰ এক্সিডেন্টৰ কথাটো স্কুল কৰ্তৃপক্ষকো জনাইছিল। স্কুলৰ প্ৰধান শিক্ষকে ৰাহুলৰ মাক-দেউতাকক ফোন কৰি এক্সিডেন্টৰ কথাটো সোধাতহে তেওঁলোক হস্পিতাললৈ বুলি খৰ-ধৰকৈ ওলাল। কিন্তু তেতিয়া সময় বহুত দেৰি হৈ গৈছিল। কাৰণ ইতিমধ্যে ৰাহুলে এই সংসাৰৰ পৰা বিদায় লৈছিল। হস্পিতালত ডক্টৰে ক'লে যে আমি বৰ দুঃখিত , অশেষ চেষ্টা কৰিও আমি আপোনালোকৰ সন্তানটিক বচাব নোৱাৰিলো। মাক-দেউতাক কান্দোনত ভাগি পৰিল। ৰাহুলে যদি মাক-দেউতাকৰ লগত মিছা মাতি সেইদিনাখন তেনে ধৰণৰ ধেমালি নকৰিলেহেঁতেন তেনেহ'লে হয়তো ৰাহুলৰ জীৱন আজি ৰক্ষা পৰিলেহেঁতেন।



# দেউতাৰ চশমা

নীহাৰিকা গোস্বামী
ষষ্ঠ শ্ৰেণী

এদিন ৰাতুল আৰু ৰীমাৰ দেউতাকে ইফালে সিফালে চাই চশমাযোৰ বিচাৰি নাপাই ৰাতুল আৰু  ৰীমাক গালি পাৰিবলৈ ধৰিলে। দুয়োটাকে চশমাযোৰ বিচাৰি দিবলৈ ক'লে কাৰণ তেওঁ ৰাতিপুৱাৰ বাতৰি কাকতখন পঢ়িব পৰা নাই। ৰাতুল আৰু ৰীমাই হাঁহি হাঁহি দেউতাকৰ কথামতে  চশমাযোৰ বিচাৰিবলৈ ধৰিলে। তাহাতৰ হাঁহি দেখি দেউতাকৰ খং আৰু বেছিকৈ উঠিল। সিঁহত দুয়োটাকে হাঁহি থকাৰ কাৰণ সোধাত সিহঁত দুয়োটাই মুখেৰে একো নামাতিলে । বহু সময় সিহঁত দুয়োটাই বিচাৰি থকা স্বত্বেও চশমাযোৰ  নোপোৱাৰ বাবে ঘৰখনৰ সকলো মানুহকে দেউতাকে চশমাযোৰ  বিচৰা কামত লগাই দিলে। দেউতাকৰ কথামতে মুখেৰে একো নমতাকৈ সকলোৱে  চশমাযোৰ  বিচৰা কামত লাগি গ'ল। কাৰণ কথামতে কাম নকৰিলে দেউতাকৰ কিমান খং উঠে সেইয়া সকলোৱে জানে। ঘৰখনৰ সকলোৱে  কতো চশমাযোৰ  বিচাৰি নোপোৱাৰ বাবে ৰাতুল আৰু ৰীমাকেই দেউতাকে জগৰীয়া কৰিলে  আৰু সিহঁত দুয়োটাৰে ইমান অসাৱধান আৰু চঞ্চল স্বভাৱৰ হোৱাৰ বাবে গালি পাৰিবলৈ আৰম্ভ কৰিলে । সিহঁত দুয়োটাকে  দেউতাকে  যিমানেই গালি পাৰিছে সিহঁত দুয়োটাই মুখ টিপি হঁহা আৰম্ভ কৰিছে । কেৱল সিহঁত দুয়োটাই নহয় ঘৰখনৰ সকলো সদস্যই দেউতাকলৈ চাই হাঁহিবলৈ ধৰিলে। ঘৰৰ সকলোৰে এনে ব্যৱহাৰত দেউতাক আচৰিত হ'ল। সকলোকে ইয়াৰ কাৰণ সুধিলে। ৰীমাই হাঁহি হাঁহি দেউতাকক ক'লে 'দেউতা তোমাৰ হাতখন এবাৰ মূৰৰ ওপৰত দি চোৱাচোন।' তাইৰ কথামতে  দেউতাকে হাতখন মূৰৰ ওপৰত দিওঁতেই বৰ লাজ পালে। কাৰণ ইমান দেৰি তেওঁৰ চশমাযোৰ তেওঁৰ মূৰৰ ওপৰতেই আছিল।





# অপেক্ষা

ৰূপনন্দা হাজৰিকা
ষষ্ঠ শ্ৰেণী

আনন্দ নগৰত জীয়ান নামৰ এজন ল'ৰা আছিল। তাৰ বয়স প্ৰায় এঘাৰ বছৰ। অকলশৰীয়াকৈ থকাটো তাৰ এক স্বভাৱ। তাৰ অকলশৰীয়া স্বভাৱটোৰ বাবে তাক মাকে সদায় লগ দিয়ে। এদিন  সি বাগিছাৰ এটা কোণত বহি আছিল। তেনেতে তাৰ কাষত কিবা বস্তু এটা সৰি পৰিল সি বস্তুটোৰ ওচৰলৈ গৈ দেখিলে, চাবি দিয়া পুতলাৰ দৰে এটা খেলিব পৰা পুতলা। পুতলাটোক সি হাতত তুলি ল'লে আৰু মনে মনে সেই পুতলাটো ক'ৰপৰা আহিল বুলি মুখৰ ভিতৰতে ভোৰভোৰাই নিজকে প্ৰশ্ন কৰিলে। তেনেতে পুতলাটোৱে তাক ক'লে যে, মই মহাকাশৰ পৰা আহিছো। পুতলাটোৰ মুখত মানুহৰ দৰে কথা শুনি সি আচৰিত হ'ল। তেতিয়া তাৰ নাম কি বুলি সোধাত পুতলাটোৱে টপৰাই ক'লে যে , তাৰ নাম পোছাকী। লগতে  এইটোও ক'লে যে পুতলাটোৱে হেনো জীয়ানৰ বিষয়ে সকলো জানে। এইবুলি সি ক'বলৈ ধৰিলে যে - তোমাৰ নাম জীয়ান আৰু তুমি যে মা-দেউতাৰ লগত থাকা সেই কথাও মই জানো। জীয়ানে মৰমতে তাক সাৱটি ধৰিলে আৰু সিও তাৰ অকণমাণি হাত দুখনেৰে তাক সাৱটি ধৰিলে। জীয়ানে তাক ঘৰলৈ লৈ আহিল যদিও মাকে দেখে বুলি সি ভয়ো খালে। কিন্তু ঘৰ সোমাওতে মাক বাথৰুমত থকাত সি পোছাকীক তাৰ ৰুমলৈ লৈ গ'ল আৰু লাহে লাহে সিহঁতৰ মাজত বন্ধুত্ব হ'ল। জীয়ান আজি-কালি আনন্দমনেৰে থাকিবলৈ ল'লে।

এদিন পোছাকীয়ে জীয়ানক সি মহাকাশলৈ ঘূৰি যাবলৈ লাগিব বুলি ক'লে। কিয়নো সি আচলতে মানুহৰ জীৱন শৈলীৰ কথা জানিবৰ বাবেহে পৃথিৱীলৈ আহিছিল। দুসপ্তাহমানৰ পাছত পোছাকী মহাকাশলৈ উভতি গ'ল। জীয়ানৰ মনটো বৰ বেয়া লাগিল। যাবৰ সময়ত পোছাকীয়ে জীয়ানক কৈ থৈ গৈছিল যে, তুমি এইকেইদিন মোৰ লগত যিদৰে আনন্দমনে কটালা মই যোৱাৰ পাছতো কিন্তু তুমি ঠিক তেনেদৰেই আনন্দমনে থাকিবা। তেতিয়াহে মই ঘূৰি আহিম। এনেতে মাকে তাক মাত দিয়াত সি টোপনিৰ পৰা সাৰ পাই উঠি ইতিমধ্যে ঘটা ঘটনাটোৰ বিষয়ে ভাবিবলৈ ধৰিলে। সি গম পালে যে আচলতে সি সপোনহে দেখি আছিল। গোটেই কথাটো চিন্তা কৰি আৰু পোছাকীৰ কথা ভাবি তাৰ মনটো বৰ ভাল লাগি গ'ল। সি সঁচকৈয়ে পোছাকী অহলৈ অপেক্ষা কৰি থাকিল।



# বাৰে মিহলি

## পুষ্টিকৰ আহাৰ

গীতাৰ্থ গৌতম
সপ্তম শ্ৰেণী

আমি পুষ্টিকৰ আহাৰ খাব লাগে। পুষ্টিকৰ আহাৰে আমাক শক্তিশালী কৰি তোলে আৰু শৰীৰত বেমাৰৰ প্ৰতিৰোধী ক্ষমতা বঢ়াই তোলে। বিভিন্ন ধৰণৰ খাদ্যত আমি পুষ্টি লাভ কৰিব পাৰো। যেনে - মাছ, মাংস, কণী, গাখীৰ, বিভিন্ন ধৰণৰ শাক-পাছলি, ফল-মূল, কাজু, খিচমিচ, বাদাম, আখৰোট আদি।

পুষ্টিকৰ আহাৰ খালে আমি খেলা-ধূলা ভালদৰে কৰিব পৰাৰ লগতে বিভিন্ন ধৰণৰ শাৰীৰিক কাম-কাজ অনায়াসে কৰিব পাৰো। পুষ্টিকৰ আহাৰ আমাৰ শৰীৰৰ বাবে যিদৰে উপকাৰী তাৰ বিপৰীতে কিছুমান আহাৰ আমাৰ দেহৰ বাবে ক্ষতিকাৰক। সেই ধৰণৰ খাদ্য আমি গ্ৰহণ কৰা অনুচিত। তেনে খাদ্যক আমি জাংক ফুড বুলি জানো। সেইবোৰ খাদ্য খালে আমি বেমাৰত পৰিব পাৰো। সেইবাবে তেনে জাতীয় আহাৰৰ পৰা আমি এৰাই চলিব লাগে। পুষ্টিকৰ আহাৰ খালে আমি সদায় সবল হৈ থাকিম।



# পৰিস্থিতি

প্ৰিয়াণী শৰ্মা
সপ্তম শ্ৰেণী

যোৱাবছৰ মই মোৰ পঞ্চম শ্ৰেণীৰ বাৰ্ষিক পৰীক্ষাৰ শেষ পৰীক্ষাটোৰ কাৰণে প্ৰস্তুতি কৰি থাকোতে গম পালো যে পৰীক্ষা বাতিল কৰিলে। মই আৰু মোৰ বন্ধু-বান্ধৱীসকলে এই কথা শুনি বৰ ভাল পালো আৰু আচৰিতো হ'লো , কিয় এই পৰীক্ষা বাতিল কৰিলে ? তাৰপিছত আমি গম পালো যে কৰ'ণা ভাইৰাছৰ কাৰণে পৰীক্ষা বাতিল হ'ল আৰু দেশত তলাবন্ধ ঘোষণা হ'ল। মই তলাবন্ধ দিয়াত বৰ বেয়া পালো । কিয়নো ঘৰৰ ভিতৰতে থাকিবলগা হোৱাত আৰু বাহিৰলৈ ওলাই যাব নোৱাৰাৰ বাবে বৰ আমনি পালো। কিন্তু নিজকে ব্যস্ত ৰাখিবলৈ মোৰ ভাল লগা চিত্ৰ অংকণ কৰিলো, কবিতা লিখিলো, এটা গানো লিখিলো, বেলেগ ভাষাও শিকিলো আৰু বহুত চিনেমাও চালো। মই মাক ঘৰুৱা কামতো যথেষ্ট সহায় কৰি দিছিলো। মায়েও মোক বহুত বেলেগ বেলেগ ধৰণৰ খাদ্য বনাই খুৱাইছে, যদিও খাদ্যৰ উপাদানসমূহ বিচাৰি যথেষ্ট সমস্যা হৈছিল। এই তলাবন্ধৰ সময়ত বিদ্যালয়ত অনলাইনযোগে শ্ৰেণীসমূহ হৈ আছিল। প্ৰথমতে মোৰ ভাল লাগিছিল, কিন্তু পাছলৈ গৈ বৰ আমনিদায়ক হ'ল। মই অনলাইন ক্লাছতকৈ বিদ্যালয়লৈ গৈ পঢ়া-শুনা কৰিবলৈহে বেছি ভাল পাওঁ। কিন্তু পৰিস্থিতিৰ লগত খাপ খুৱাবলৈ গৈ ঘৰতে বহি বহি মই এতিয়া অনলাইন ক্লাছ কৰিবলৈকে ভাল পোৱা হ'লো। যোৱা গোটেই বছৰটো ঘৰত বহি বহি যে জীৱনত এনেকুৱা কিছুমান পৰিস্থিতিৰ সমুখীন হ'ম সেই কথাটো মই কাহানিও ভবা নাছিলো ।



# কবিতাৰ কৰণিত

## বৰষা

চোহেইল আলি আহমেদ
নৱম শ্ৰেণী

ধুম্ ধুম্ ধাম্ ধাম্ মেঘে গৰজে
টিপ্ টিপ্ টাপ্ টাপ্ পানী বৰষে
বাৰিষা যে হয় আমাৰ প্ৰিয় সবৰে
মন প্ৰফুল্লিত কৰি তোলে এই বতৰে।

নহলে বাৰিষা হ'ব যে আমাৰ হানি
নহলে বাৰিষা নাথাকিব গছ-গছনি
নহলে বাৰিষা নাথাকিব খোৱা পানী
নহলে বাৰিষা নাথাকিব বহু প্ৰাণী।


বিজুলীৰ শব্দত মন মগ্ন হৈ যায়
বৰষুণে জীপাল কৰে জগত ধুৱাই
উৰ্বৰা কৰে শুকান মাটিক তিয়াই
ভাল লাগে মোৰ সেই আকাশখন চাই।



# বৰষাৰ গান

আত্ৰেয়ী নেওঁগ


অষ্টম শ্ৰেণী



বৰষাই যেন গান গায়
বাটৰ দুবৰিডৰায়ো যেন প্ৰাণ পায়
ধৰণীৰ সেউজ-সতেজ ৰূপ দেখি
মোৰ মনেও যে গুণগুণায়।

# বৰ্ষা ঋতু

মাধূৰ্য্য মাধৱ
অষ্টম শ্ৰেণী



যেতিয়া মই সৰু আছিলো
বৰ্ষা ঋতুকেই হিয়া উজাৰি ভাল পাইছিলোঁ,
গাৱত খেলিছিলোঁ , মাছ মাৰিছিলোঁ
কত যে ধেমালি কৰিছিলোঁ ।
সাতুৰি নাদুৰি ফুৰিছিলো
কিন্তু কৃষকৰ দুখী মুখখন দেখি,
একো বুজি পোৱা নাছিলো ।
কিন্তু আজি মই বুজি পাওঁ কৃষকৰ দুখ,
কৃষকৰ দৰে বহুতৰে দুখ
আচলতে বৰ্ষা তই অতি নিষ্ঠুৰ
তোৰ অহংকাৰৰ গৰ্বৰে বুকু ওফন্দাই
তই সকলোকে মোহাৰি লৈ যাৱ
কৃষকৰ খেতি , দুখীয়াৰ ঘৰ
আৰু যে কি কি নকৰ তই ?
তইনো বুজিবি কি ?
দুখীয়াৰ দুখ নে পেটৰ জ্বালা ,
নে ধনীৰ অহংকাৰ ?
তই জাননে, অহংকাৰ অবিহনে তই কিমান উদাৰ,
কিমান মহান আৰু কিমান সুন্দৰ।




## পৰীক্ষা

চিকুণপ্ৰিয়া গোস্বামী
দ্বাদশ শ্ৰেণী

পৰীক্ষা নাই বোলে পৰীক্ষা হেনো নহ'ল
কথাটি শুনি মোৰ দুখ গুচি গ'ল ।
পৰীক্ষা আহিলেই আহে বহু লেঠা
পৰীক্ষাই হ'ল জীৱনৰ ডাঙৰ এক বেথা।

পৰীক্ষা হ'ল দুখৰ দুখৰ যে আন এটা নাম
দুখ দিয়াৰ বাহিৰেনো সি কি কৰে কাম।
পৰীক্ষাই সকলোৰে শুকায় চিন্তাৰ সাগৰ
মনলৈকে আনে মাথো অলাগতিয়াল ভাগৰ।

পৰীক্ষা অহা মানেই পঢ়া পঢ়া পঢ়া
পৰীক্ষা দি দি আমি হৈ  গ'লো যে বুঢ়া।
পৰীক্ষাৰ বতৰত আমি চাব নোৱাৰো খেল
পৰীক্ষা বুলিয়েই যে মাৰিব নোৱাৰো মেল।

পৰীক্ষাৰ বাবে পঢ়া-শুনাবোৰ একেবাৰেই নহয় মিঠা
কোনেনো বাৰু ভাল পায় লগাবলে সেই আঠা।
পৰীক্ষা যেন মৰুভূমি নাই তাত এটোপা পানী
কেনেদৰেনো জীয়াই থাকে মানৱৰ দৰে প্ৰাণী।

পৰীক্ষা নাথাকিলে কিমান যে সুখ পাম
দিনৰ দিনটো খেলা-ধূলা নাচ-গানকেই চাম।
পৰীক্ষা দেৱতা, জনাইছো তোমাক শতকৌটি প্ৰণাম
জীৱনলৈ' নাহিবলে আৰু কিদৰে বাৰু বিদায় জনাম।

# বিজ্ঞজনে কি কয়

নিজৰ মনৰ ভাৱ ভালকৈ বুজি নাপালে পৰৰ মনৰ ভাৱ যেনেকৈ বুজা টান , নিজৰ ভাষা ভালকৈ শিকি নললে  সেই ভাষা পৰক শিকোৱাটো টানেই নহয় ,পৰৰ ভাষা শিকাও টান ।

-তৰুণৰাম ফুকন

উপদেশতকৈ আৰ্হি শ্ৰেষ্ঠ । উপদেশে যি কাৰ্য্য সাধন কৰিব নোৱাৰে , আৰ্হিয়ে তাতোকৈ বহু বেছি আৰু মহৎ  কাৰ্য্য সাধনকৰিব পাৰে । আৰ্হিৰ আগত অসাধ্য বুলি কোনো কামেই থাকিব নোৱাৰে।

-দূৰ্গেশ্বৰ শৰ্মা

জীৱন অতি বিচিত্ৰ। বিচিত্ৰ জীৱন আৰু জীৱন ধাৰাৰ অভিজ্ঞতাই হৈছে সৃষ্টিৰ সমল।  সৃষ্টিৰ বাবে প্ৰয়োজন প্ৰেৰণাৰ।

-মহিম বৰা

নিজৰ ওপৰত বিশ্বাস ৰাখিব পাৰিলে , পৃথিৱীত ভয় কৰাৰ কোনো কাৰণ নাথাকে। সততা, নিষ্ঠা ,প্ৰেম  আৰু বিশ্বাসৰ দ্বাৰা সকলো জয় কৰিব পাৰি।

-সত্যনাথ বৰা

# কথাৰ পাকতেই

*অতি ভক্তি চোৰৰ লক্ষণ*

প্ৰতিটো কামৰে একোটা সীমা থকাৰ দৰে আনক ভক্তি কৰাবো এটা সীমা থাকে। কিন্তু স্বাভাৱিকতকৈ বেছি ভক্তিত ভাৱ দেখুওৱা মানুহৰ পেটত কুবুদ্ধি থকাৰ অৱকাশ থাকে। যিদৰে চোৰে নিজৰ প্ৰবৃত্তি লুকুৱাবৰ বাবে অতি বেছি বিনম্ৰ আচৰণ কৰাৰ দৰে অতি বেছি শ্ৰদ্ধা- ভক্তি দেখুওৱা মানুহৰ প্ৰতি সন্দেহৰ থল সদায় থাকে।

*এশ গৰু মাৰিলে বাঘৰো মৰণ*

বাঘ শক্তিশালী প্ৰাণী আৰু বাঘৰ খাদ্য হৈছে গৰু। কিন্তু বাঘে যদি সদায় গৰু মাৰিবলৈ লয় ,তেতিয়াহ'লে মানুহে বাঘটো যেনে -তেনে হ'লেও মাৰিব। অৰ্থাৎ ক্ষমতাত থকাজনে যদি বেছি অন্যায় কৰিবলৈ লয় তেতিয়াহলে তেওঁৰো পতন হ'ব ।

*গোৰে মাৰি গংগাত পেলোৱা*

হিন্দু ধৰ্মৰ বিশ্বাসমতে গংগাত স্নান কৰিলে মানুহৰ পাপ খণ্ডন হয়। কেতিয়াবা কেনোলোকে দুখ বা অপমানসূচক লক্ষ্যৰে কাৰোবাৰ অনিষ্ট সাধন কৰিব বিচাৰিলেও বিপৰীত ফল হোৱাহে দেখা যায়। অৰ্থাৎ আনৰ অপকাৰ হওক বুলি কৰা কোনো কামৰ বিপৰীতে তেওঁৰ উপকাৰ সাধন কৰা ।

*দেহা থাকিলেহে বেহা*

মানুহৰ শৰীৰ ভালে থাকিলেহে সকলো কাম নিয়াৰিকৈ কৰিব পাৰে। মানুহৰ ধন যিমানেই নাথাকক দেহা যদি অসুখীয়া হয় কোনোধৰণৰ কামত মনোযোগেৰে লাগিব নোৱাৰে, ব্যৱসায় বাণিজ্য সকলো তেওঁৰ বাবে কঠিন হৈ পৰে। ইয়াৰদ্বাৰা বুজাব বিচাৰিছে, শৰীৰ সুস্থ থাকিলেহে সংসাৰৰ সকলো কাম ভালদৰে সফল হৈ উঠে।




সম্পাদক - নৰদ্বীপ ডেকা

উপ সম্পাদক - ভিষাজ গোস্বামী

সহকাৰী সম্পাদক - হানা চানিফাৰ, নিশান্ত শৰ্মা, অচিং ফুকন

অলংকৰণ - হানা চানিফাৰ, নৰদ্বীপ ডেকা, কৃতাৰ্থ কৌশিক

সমন্বয়ক - ৰিতুদ্বীপ ডেকা , য়শংকৰ ৰঞ্জিৎ , ৰেয়ান আলম

ছবি অংকণ - শুভেচ্ছা বৰা , দিৰিজা দিব্যজ্যোতি

তত্বাৱধায়িকা - ড০ পৰিণীতা গোস্বামী , প্ৰাৰ্থনা বৰা ফুকন

প্ৰকাশক - অসমীয়া বিভাগ , দ্য অসম ভেলী স্কুল , বালিপাৰা - ৭৮৪১০১, শোণিতপুৰ - অসম

কাৰিকৰী উপদেষ্টা - শ্ৰীযুত ৰূপজ্যোতি দাস, প্ৰশাসক, তথ্য আৰু প্ৰযুক্তিবিদ্যা

পৃষ্ঠপোষক - ড০ বিধুকেশ বিমল, প্ৰধান শিক্ষক, দ্য অসম ভেলী স্কুল